# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. VI
## NO. 6

The 27th March, 1981

1985

PRINTED AT MUDRANSREE : GUWAHATI-781 001

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1981

( Budget Session )

VOLUME—VI

NO. 6

Dated the 27th March, 1981

## CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions ... ... ... ... | 1—42 |
| 2. | Miscellaneous .... ... .... ... | 43—55 |
| 3. | Announcement by the Chair ... ... .... | 55—56 |
| 4. | Calling Attention ... .... ... .... | 57—60 |
| 5. | Debate on Governor's Address .... ... | 60—75 |
| 9. | Adjournment ... ... .... ... | 75 |

Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 27th March, 1981 with the Hon. Speaker in the Chair, 11 (eleven) Ministers, 5 (five) Ministers of State, and 100 (one hundred) Members present.

## STARRED QUESTIONS AND ANSWERS

Date : 27th March, 1981.

(To which oral answers were given)

Mr. Speaker : Pending starred question No. 49.

শ্ৰীউমেশ দাস ঃ অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল অসমত বৰ্ত্তমান কৃষি পামৰ সংখ্যা কিমান? উত্তৰত মন্ত্ৰীয়ে কলে ৭৯ খন। মই জানিব পাৰোনে কি যে, ফাৰ্মিং কৰপৰেশ্যনৰ ভিতৰত চৰকাৰী ফাৰ্ম কিমানখন আৰু সমবায়ৰ ফাৰ্ম কিমানখন?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ): ফাৰ্মিং কৰপৰেশ্যন আমাৰ ১১টা আছে আৰু সমবায়ৰ কেইবাটাও আছে, তাৰ তথ্য-পাতি এতিয়া মোৰ লগত নাই।

শ্ৰীঅতুল গোস্বামী: মোৰ এটা প্ৰশ্নৰ উত্তৰত কালি কৈছিল যে খেৰণী মেকানাইজড ফাৰ্মখন কাৰ্বি আংলং জিলা পৰিষদলৈ হস্তান্তৰ কৰিলে। মই জানিব পাৰোঁনে কি যে চৰকাৰে নিজৰ হাতৰ পৰা কোন তাৰিখৰ ভিতৰত হস্তান্তৰ কৰিলে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ): চাৰ, এইখন এখন লাৰ্জ চাইজ ফাৰ্ম, এইখন ১৯৬৭-৬৮ চনতে স্থাপিত হৈছিল। গতিকে, ১৯৬৮ চনৰ ভিতৰতে হস্তান্তৰ কৰা হ'ল।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: অধ্যক্ষ মহোদয়, খেৰণি ফাৰ্মখন এখন চৰকাৰী ফাৰ্ম আৰু কাৰ্বি আংলং জিলা পৰিষদক এতিয়াও হস্তান্তৰ কৰা হোৱা নাই। মন্ত্ৰীয়ে কিয় এনেদৰে সদনত অবান্তৰ কথা কৈছে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ): কালিও মই কৈছিলো আৰু আজিও মই মই কওঁ যে কাৰ্বি আংলং জিলা পৰিষদক এইখন হস্তান্তৰ কৰা হৈছে। **It was started during 1967-68.**

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: .অধ্যক্ষ মহোদয়, এতিয়াও মন্ত্ৰী মহোদয়ে কব বিচাৰিছে যে এই খেৰণি ফাৰ্মখন কাৰ্বি আংলং জিলা পৰিষদক দিয়া হৈছে আৰু এইখন এখন চৰকাৰী ফাৰ্ম নহয়। এডমেনিষ্ট্ৰেটিভ কণ্ট্ৰোল জিলা পৰিষদে কৰিব আৰু তাৰ পিচত যিবিলাক কাম-কাজ হয় তাৰ দা-দৰমহা আদিৰ খৰচ-পাতি ইয়াৰ পৰা দিয়া হব?

শ্ৰীফণি মেধি: অধ্যক্ষ মহোদয়, চৰকাৰে কালি কৈছিল যে চৰকাৰী ফাৰ্ম নহয় আৰু আজি কলে যে হস্তান্তৰ কৰা হৈছে, কৃষি বিভাগৰ পৰা পোষ্টেড কৰা হৈছে। এইদৰে মিছা কথা কৈ সদনক মিচ লিদ কৰা হোৱা নাইনে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : মই যোৱা কালি কৈছিলো যে কাৰ্বি আংলং জিলা পৰিষদক হস্তান্তৰ কৰা হৈছে, কিন্তু ইয়াৰ কাম-কাজ বিলাক বিভাগৰ হাতত।

শ্ৰীফণি মেধি : কালি চৰকাৰী ফাৰ্ম নহয় বুলি কৈ এতিয়া আকৌ কোৱা হৈছে যে বিভাগে কাম-কাজ চলাই আছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : কালি মোৰ যিটো ভুল হৈছিল, তাক আকৌ পিচত সংশোধন কৰি কৈছিলো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : অধ্যক্ষ মহোদয়, খেৰণি ফাৰ্মখন এতিয়ালৈকে কৃষি বিভাগে চলাই আছে বুলি কৈছে। জীয়াই থকা ৬৫ খন ফাৰ্মৰ ভিতৰত এইখন আটাইতকৈ মাটি বেছি থকা ফাৰ্ম বুলিও কৈছে। এই ফাৰ্মখনৰ কাৰণে ১৬ লাখ টকাৰ পাইপ, যন্ত্ৰ-পাতি কিনাত খৰচ কৰিছিল, পিচলৈ সেইবিলাক মামৰে খোৱাত এনেয়ে পৰি থাকিব লগা হয় আৰু তাৰ বহু মাটিত মানুহে বেদখল কৰি খেতি কৰি আছে। এই কথা সত্য নে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : খেৰণি ফাৰ্মখনৰ কাৰণে এক হেজাৰ হেক্টৰ মাটি অৰ্থাৎ ৭ ॥ হেজাৰ হেক্টৰ বিঘা। It was handed over by the district Council. তাৰে দুই হেক্টৰ বিঘা মাটি এতিয়াও এনকোৰ্চাৰৰ হাতত আছে, ফাৰ্মৰ হাতলৈ অহা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : অধ্যক্ষ মহোদয়, কেইবা লাখো টকা খৰচ কৰি যিবিলাক পাইপ কিনা হল সেইবিলাক বিক্ৰী কৰা হল নে নাই এতিয়াও বৰষুণত তিতি, ৰ'দ ধুমুহাত শুকাই পৰি আছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : সেইটো এটা বেলেগ প্ৰশ্ন।

শ্ৰীগজেন তাঁতি : অধ্যক্ষ মহোদয়, এই ফাৰ্মখন জিলা পৰিষদৰ হাতলৈ হস্তান্তৰ কৰাৰ পিচত বিভাগৰ পৰা যিবিলাক টকা-পইচা খৰচ কৰা হৈছে সেই বিলাক গ্ৰাণ্ট হিচাবে দিয়া হৈছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ বিভাগৰ পৰা অফিচাৰ পোষ্টেড কৰা হয় আৰু যাৱতীয় দা-দৰমহা অফিচৰ পৰা দিয়া হয়।

শ্ৰীগজেন তাঁতি : মোৰ প্ৰশ্নটো আছিল গ্ৰান্ট হিচাবে দিয়া হয় নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ যিবিলাক প্ৰয়োজনীয় টকা সেইবিলাক বিভাগৰ পৰা ৰিলিজ কৰা হয়।

মঃ চামচুল হুদা : খেৰণি ফাৰ্মলৈ ১৯৭৮ চনত বিধান সভাৰ এটা কমিটি গৈ তদন্ত কৰি প্ৰতিবেদন দিছিল আৰু তাত চৰকাৰী টকা আত্মসাৎ কৰাৰ অভিযোগ আহিছিল। সেই সম্পৰ্কে কি ব্যৱস্থা লৈছে ?

শ্ৰীসোণাৰাম থাওসেন : গ্ৰান্টটো ডিষ্ট্ৰিক্ট কাউন্সিললৈ ট্ৰেন্সফাৰ হয় তিনি মাহে চিক্স চিহুল এৰিয়াত।

মঃ চামচুল হুদা ঃ বিভাগীয় মন্ত্ৰীয়ে উত্তৰ নিদিলে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ গ্ৰান্টটো ডিষ্ট্ৰিক্ট কাউন্সিললৈ ট্ৰেন্সফাৰ কৰি দিয়া হয়।

শ্ৰীঅতুল গোস্বামী : খেৰণি ফাৰ্মৰ এজন কৰ্ম্মচাৰীয়ে টকা আত্মসাৎ কৰা বুলি ধৰা পৰাৰ পিচত তেওঁৰ ওপৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ? যিজন তাৰ ফাৰ্ম মেনেজাৰ হিচাবে নিয়োজিত হৈছিল তেওঁ কেবা হাজাৰ টকা চেল প্ৰচিদ জমা নিদিয়াকৈ জেপত জমা ৰখাটো প্ৰমাণিত হৈছিল, সেইজনৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছেনে ?

Shri Ranendra Narayan Basumatari ( Minister ) : As far as I understand the District Council will take up this case.

শ্ৰীঅতুল গোস্বামী ঃ কৃষি বিভাগে দৰ্ম্মহা দিছে। ১০ হাজাৰ টকা চেল প্ৰচিদ জমা দিয়া নাই। ডিষ্ট্ৰিক্ট কাউন্সিলে ব্যৱস্থা লবনে অসম চৰকাৰৰ কৃষি বিভাগে ব্যৱস্থা লব ?

Shri Ranendra Narayan Basumatari (Minister) : Sir, I am not aware of so much details. Just now I have received information that proceedings against that officer is pending and that officer has also been transferred.

মঃ চামচুল হুদা ঃ বিধান সভাৰ এটা কমিটি গৈ তদন্ত কৰি গোটেই কেলেং-কাৰিটোৰ প্ৰতিবেদন দিছিল। তাৰ ব্যৱস্থা নলৈ গোটেই বেমাৰটো ডিষ্ট্ৰিক্ট কাউন্সিললৈ ট্ৰেন্সফাৰ কৰিছে। এতিয়া ট্ৰেন্সফাৰ, প্ৰচিডিউৰ পেণ্ডিং আদি কালাৰ দিছে। প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ এষ্টিমেট কমিটিয়ে এই বিষয়ত পৰীক্ষা কৰি ৰিকমেণ্ডেচন দিছে। সেই বিলাক ইমপ্লিমেণ্ট কৰা হব ধৰিছে।

শ্ৰীগান্ধীৰাম টিমুং ঃ এই ফাৰ্মৰ উন্নয়নৰ কাৰণে ১৯৮১ চনত কিমান টকা দিয়া হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ যোৱা বছৰ এই ফাৰ্মৰ ডেভেলপমেণ্টৰ ৮ লাখ টকা আছিল।

Mr. speaker : pending starred question No. 50.

Shri Dulal Chandra Barua : Sir, the Hon'ble Minister of State Education had stated yesterday on the floor of the house that the file concerning the Bodo Medium School is pending with the Finance Department. On my personal verification I have found that the file has been handed over to the Finance Department only yesterdry. The Minister therefore has mislead the House.

মাননীয় অধ্যক্ষ ঃ মিনিষ্টাৰে মোক অলপ আগতে চিঠি দি জনা ইছে

যে এইটো পেণ্ডিং ৰাখিব লাগে। He is not in a position to furnish the proper replies today. The request is that he will put up the replies tomorrow.

শ্ৰীঅতুল গোস্বামী : বাৰে বাৰে জোৰেৰে কৈছিল যে ফাইল ফাইনেন্সত আছে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী : এইখন বাজেট চেচন নকৈ পেণ্ডিং চেচন বুলি কব নোৱাৰিনে ?

Shri Dulal Chandra Barua : Sir, the Minister of State, Education had made a statement yesterday. I had asked the Minister a specific question—whether the file is lying with the Education Department or the file is lying with the Finance Department and the Minister was pleased to reply specifically that the file is lying with the Finance Department. On my personal verification it was found that the file was not in the Finance Department, only yesterday evening it was handed over to the Finance Department. Sir, is it not a question of breach of privilege of the House ? Is it not misleading the House wilfully and deliberately ?

Mr. Speaker : Unless it is mala fide or deliberate the Minister can correct it. So I do not like to take the pending question today. Further discussion on this question will be taken up tomorrow. This question will remain pending.

Shri Dulal Chandra Barua : Sir, due to non-availability of information sometime a Minister may give

some wrong information in the House but the procedure is that at the next available opportunity Minister has to correct his previous statement. We had asked specifically whether the file was lying with the Finance Department or lying with the Education Department and the Minister categoricelly replied that the File was lying with the Finance Department but it is not a fact. And he also did not correct his statement at the next opportune moment. Therefore, it is a question of breach of privilege because he has deliberately and wilfully mislead the House concealing the facts.

Mr. Speaker : A Minister may sometime make a wrong statement but if it is not with mala fide intention or deliberate then the Minister concerned can correct it. ( voices—it is deliberate ).

Mr. Speaker : Whenever a Minister makes some mistake he can correct it. So he must be given a chance to correct it.

Shri Kiron Chandra Bezbarua : We had given him 24 hours' time.

Mr. Speaker : For some reasons he has not been able to correct that statement made yesterday. I want to keep the question pending for tomorrow and the Minitter must not try to keep it pending after tomorrow and further discussions will take place tomorrow.

Shri Noorul Huda : Sir, I want to ask a simple question. The Minister may be pleased to answer one specific question ; whether that particular file was handed over to the Finance Department only yesterday or not. The other details may be discussed tomorrow.

Shri Abdul Muqtadir Choudhury (Minister of State) : Sir, I will make a statement tomorrow. ( voices—that will not do )

Shri Dulal Chandra Barua : We want a specific answer from the Minister, whether it is a fact that the file had been handed over to the Finance Department yesterday evening ?

Shri Md. Idris : Sir, he will check up from the Deptt.

Mr. Speaker : To give a correct information he must get some time.

শ্ৰীগোলোক কাকতি ঃ উত্তৰ দিওতে কিয় পলম হ'ব লাগে আৰু ভুল তথ্য কিয় দিব লাগে ?

Mr. Speaker : ( To Shri Abdul Muqtadir Choudhury, Minister of State )— Mr. Barua has asked me specific question—whether the file was with Education Department or with the Finance Department. He has categorically asked that thing only and other things will be discussed tomorrow.

Shri Abdul Muqtadir Choudhury (Minister of State) : Sir, I shall obtain further clarification and then I will give a statement.

Shri Sarat Chandra Sinha : Mr. Speaker, Sir, we want to know whether the Minister of State in the Education Department is functioning or somebody else is functioning. If the Minister of State in the Education is functioning, then he must be able to say and if he cannot say whether it is with the Finance Department or not then somebody else is functioning there. So it is absolutely the indication of how the Govt. is functioning. Is it the indication of functioning of the Govt. ? The Minister does not know when the file moved to Finance Department. We want to know details and he must be able to give us the detailed information.

Shri Kiron Chandra Bezbarua : We wanted to know when this file has gone to Finance Department and he is not telling us the truth.

Mr. Speaker : I want to know from the hon'ble Minister concerned as Mr. Barua has categorically asked whether the file is with the Finance Department or with the Education Department. But if he is not in a position to answer to-day and answers it to-morrow he should say what is the difficulty in answering it to-day.

Shri Dulal Chandra Barua : Yesterday he has stated in reply to the question specifically that the file is lying in the Finance Department. Now, on my personal verification, it is found that the file has been handed over to Finance Department only yesterday.

Shri Kiron Chandra Bezbarua : Since he has refused to answer the question, the file must be brought to the House to-day itself because this Minister is going to change the paper and that is why he wants time for it.

Mr. Speaker : Mr. Barua has put the question categorically. You should also put the question in such a way so that he can answer.

শ্ৰীভুবনেশ্বৰ বৰ্মণ ঃ অধ্যক্ষ মহোদয়, আপুনি আমাক ৰক্ষণা-বেক্ষণা দিব লাগিছিল । যোৱা কালি মন্ত্ৰী মহোদয়ে কৈছে ফাইনেন্স ডিপাৰ্ট-মেণ্টলৈ ফাইলটো পঠোৱা হৈছে । কিন্তু আজিও তেওঁ একেটা কথাকে কৈ আছে । কথা হল সদনৰ মৰ্য্যদা তেওঁ নষ্ট কৰিছে । গতিকে ফাইলটো সদনত দাখিল কৰিব লাগে ।
( ভইচেচ্ ঃ আপুনি সঁচাটো কৈ দিয়ক, যি হ'ল হল । )

Shri Abdul Maqutadir Choudhury ( Minister of State ) : Sir, so far as I have collected the information the proposal for creation of 124 Assamese teachers in Bodo medium School was received by the D.P.I. on 18.3.81 and the same was processed. The proposal was for two months i.e. from 1.1.81 to 28.2.81. But the proposal was received only on 19.3.81. The proposal was put up to Financial Adviser of the Department for advice.
(Voice, noise, interruption)

Shri Lakhyadhar Choudhury : Sir, we demand his resignation.

Shri Dulal Chandra Barua : When was it put up ?

Shri Abdul Maqutadir Choudhury ( Minister of State ) : On 23.3.81 to the Financial Adviser of the department.

Shri Dulal Chandra Barua : Financial Adviser is the officer of the Department. Therefore, it is completely misleading. We want to have the file here. Sir, you are to give us protection. We are not hammering nor creating any trouble. We are not doing anything against anybody. This is the property of the House and the Minister when he replies on certain subject

matters, it is the property of the House. It seems that the Minister is deliberately suppressing the facts. Therefore, may I request you, Sir that when the House is demanding, the file should be placed here before the House.

Mr. Speaker : While the Minister ... ... (interruption).

(Noise)

Shri Ramesh Mohan Kouli : Hon'ble Minister should hand over the file here.

Mr. Speaker : As the hon'ble Minister has regretted, you should not press.

( Voice, noise )

শ্ৰীগোলাপ বৰবৰা ঃ অধ্যক্ষ মহোদয়, এই ঘটনাৰ পৰাই প্ৰমাণ কৰে যে এই মন্ত্ৰীসভাত কেইজনমান মন্ত্ৰী আচলতে মন্ত্ৰী নহয়। তেখেত সকলক দেখুৱাইহে মন্ত্ৰী পতা হৈছে। কিন্তু তেখেত সকলৰ সকলো কাম অদৃশ্য হাতেৰে কৰবাৰ পৰা কোনোবাইহে কৰি আছে।

( সদনত হাত চাপৰি )

Shri Sarat Chandra Sinha : May I submit, Sir it is a very simple question. The Minister has stated that the file has been submitted to the Financial Adviser of the Department. Sir, the Financial Adviser is an Officer of the Finance Department no doubt. But then that Officer is placed at the disposal of the Education Department and that Officer is to act as the Officer of the Education Department and he is not in the Finance Department. In this way every department has got its own Financial Adviser. So whether the file is with the Financial Adviser or with the Finance Department it is to be made absolutely clear. It is a very simple question and if the Minister cannot answer to this question then I support Mr. Golap Borbora that somebody else is functioning and the Minister is not functioning and this is how this

Govt. is functioning. So I should say this is how the Govt. is functioning and this is the indication of non-functioning of the Govt.

Shri Abdul Maqutadir Choudhury ( Minister of State ) :Sir, I regret for this mistake.

Shri Dulal Chandra Barua : We do not accept it, Sir., The file must be placed here.

Shri Keshab Chandra Gogoi, ( Minister, Finance ) : Minister of State, Education has asked for unqualified apology. He has regretted, he was mislead. He wanted time till to-morrow because he was not able to collect information. Now he has stated that the file is with the Financial Adviser.

শ্ৰীসোণেশ্বৰ বৰা : চাৰ, ফাইনেন্স মিনিষ্টাৰে পালেনে নাই ? তেখেতে কলেও হব । সেইটো কথাহে লাগে । যদি ফাইলটো তেখেতে পাইছে কথাটো ভাল হয় । ইয়ালৈ আনিব লাগে ।

Mr. Speaker : That cannot be. Only one side will speak and the other side will not speak that is not the procedure.

শ্ৰীসোণেশ্বৰ বৰা : চাৰ, কালি তেখেতে কলে, ইমানসোপা ফাইল আছে কিমান চাম ? আজি চালে আৰু বেছি ওলাব, হয়তো ফাইল নোলাবই। ফাইল ক'ত আছে আনিব লাগে ।

Shri Keshab Chandra Gogoi (Minister, Finance) : I will also come prepared. I will ascertain whether the file is lying with the Finance Department or elsewhere.

শ্ৰীঅতুল গোস্বামী : চাৰ, আপোনাৰ কাষ্টদিত ফাইল থাকিব লাগে । ফাইল এতিয়াই আনিব লাগে ।

Shri Dulal Chandra Barua : I have heard the statement made by the Finance Minister. Is it a fact that yesterday evening

the Joint Secretary of the Department took the file to the Finance Minister and reported to him that the file has been received just now. If it is so how the Finance Minister can come to the defence of the Minister of State, Education, by saying that he does not know. This is a clear breach of priviledge.

Shri Keshab Chandra Gogoi ( Minister ) : Sir, I deny. The Joint Secretary never came to me and stated the file has been received.

Shri Dulal Chandra Barua : Sir, we specifically asked the Minister whether the file is lying with the Finance Department or is lying with the Education Deptt. The answer given was specific that it was lying with the Finance Department. Today we have asked whether the file is lying with the Finance Department or the Education Department. But the answer given is not at all satisfactory. Sir, should we be deprived of our right in such a manner ? Therefore, I submit that the file must be placed before the House and we must go through the file, or the file may be placed before you and you may examine the same. If these suggestions cannot be agreed to then you may ask us to get out of the House because nobody has the right to take away the priviledge of the Members of the House.

Shri Altaf Hussain Majumdar : Sir, with due respect to the sentiments of the Hon'ble Members of the House I want to submit through you, Sir, to the Hon'ble Members that apparently the first statement that the file was sent to the Finance Department and then the next statement that it was sent to the Financial adviser was due to some confusion. In all probability the Minister being a junior Minister thougt that the Financial adviser is an Officer of the Finance Department. It is a genuine mistake and he has expressed regret for this lapse on

his part. I would, therefore, request the Hon'ble Members of the House to accept the regret tendered by him and close the matter.

Shri Dulal Chandra Barua : We cannot create such a precedence. A Minister is a Minister. There can be no question of a Junior Minister or Senior Minister. I would request that atleast the file should be placed before the House.

Mr. Speaker : I am keeping the question pending. I want to tell the Hon'ble Members... ( Interruptions : No, No ). I started speaking and before I could finish you stated saying 'No, No, No.' Is it the procedure of the House to start speaking while the Speaker is on his legs ? I want to hear from Shri Barua, the oldest member of the House, should it be the behaviour of a Member ?

Shri Dulal Chandra Barua : The Hon'ble Member was speaking sitting. It may not be taken note of.

Shri Keshab Chandra Gogoi (Minister) : Sir, as there is a persistent demand from the Hon'ble Members that the file should be placed before the House I will hand over the file to the Hon'ble Speaker and he will examine the same.

Mr. Speaker : Whatever is done is done. What I intended to say, before I was interrupted, that the file should be submitted to me. That was my intention, but before I could make myself clear I was interrupted.

Shri Lakhsyadhar Choudhury : Sir, you very often look to that side of the House.

Mr. Speaker : This is an objectionable remark.

Shri Dulal Chandra Barua : Sir, I tender unqualified apology on behalf of the Hon'ble Member. It is not proper to cast aspersion

on the Hon'ble Speaker. I am really very very sorry.

Shri Lakhsyadhar Choudhury : I am also very very sorry.

Shri Promode Chandra Gogoi : Sir, yesterday when one Hon'ble Member used the words 'Gharialar Sakupani', you ordered for expunging the words. After sometime another Hon'ble Member used the same words but there were not expunged from the proceedings. Therefore, I would request that the House is couducted in accordance with the Rules and the priviledges of the Hon'ble Members should be protected from the Chair. This my humble request.

Shri Benoy Basumatari : Sir, now it is 9.40 A. M. and we are still dealing with the pending question.

Mr. Speaker : Yesterday one tendered his apology for saying crocodile's tear and if there is anything like 'Gharialar chakur pani', that should also be expunged. Now question No. 65.

## Re : APPOINTMENT OF PRINCIPAL OF COTTON COLLEGE

Shri M. Shamsul Huda Asked.

*65. Will the Minister, Education pleased to state :

(a) Whether it is a fact that the appointment of Shri Govinda Deka who succeeded Mvi. Ashraf Ali as Principal of the Cotton College has been approved/confirmed when the approval/confirmation of the appointment of Mvi. Ashraf Ali as D. P. I., Assam is still pending ?

(b) If so, how and why ?

Shri Hiteswar Saikia (Minister, Education) replied.

*65. (a) No.

(b) Does not arise.

(c) Whether Mvi. Ashraf Ali will retire as Principal of the Cotton College or as the D.P.I. when his appoinment as D.P.I. has not yet been approved/confirmed ?

(c) His case is under examination ?

(d) What are the reasons behind non-approval / non confirmation of the appointment of Mvi. Ashraf Ali as D. P. I. ?

(d) Does not arise.

(e) Whether it is also a fact that Mvi. Asraf Ali has been serving as D. P. I. without pay and extension of services from time to time.

(e) No.

(f) If so, the reasons thereof ?

(f) Does not arise.

(g) Whether it is a fact that one Government order of extension of the services of Mvi. Ashraf Ali as D. P. I. was cancelled ?

(g) There was no such cancellation of Govt. order of extension.

(h) If so, the number and date of the Govt. order ?

(h) Does not arise.

(i) The steps taken by the Government in this matter ?

(i) Does not arise.

Shri M. Shamsul Huda : May I know from the Minister whether the appointment of Shri Ashraf Ali has been regularised and whether he is getting his remuneration and serving as a confirmed D. P. I. ?

Shri Hiteswar Saikia ( Minister ) : He is serving as D. P. I. and he is getting his salary.

Shri Dulal Chandra Barua : Whether it is a fact that the post of D. P. I. which Shri Ashraf Ali is holding was advertised and

some candidate was selected ? If so, in what way Shri Ashraf Ali is continuing as D. P. I. ? Secondly, whether it is a fact he is not getting his pay for last 6/7 months ?

Shri Hiteswar Saikia ( Minister ) : Professor Ashraf Ali was appointed as D. P. I. on 19.2.79. Then in the same year one advertisement was made. But he was age barred for attaining 50 years and such he could not apply for the post. The same Janata Government who appointed him as D. P. I. made the advertisement attaching this condition for which he could not apply. Regarding his pay he is getting it and he got his salary up to the month January last.

Shri Dulal Chandra Barua : Whether Government will come up with a fresh advertisement and Shri Ashraf Ali will be allowed to continue as D. P. I ?

Shri Hiteswar Saikia ( Minister ) : This is under examination.

Shri Premadhar Bora : What is the date of retirement of the officer who is holding the post of D. P. I. ?

Shri Hiteswar Saikia ( Minister ) : He is retiring in September, 1981.

Shri M. Shamsul Huda : May I know from the Government whether Govt. can give us assurance that his services will be regularised before he goes on retirement ?

Shri Hiteswar Saikia ( Minister ) : This is under examination.

Shri M. Shamsul Huda : We want a categorical assurance. The gentleman was brought to this place and was appointed. And now he is hanging. We want a categorical assurance whether the appointment of Shri Ashraf Ali will be regularised so that he is not required to retire remaining temporary. ( voices : how that can be ? )

Shri Hiteswar Saikia ( Minister ): This Government is sympathetic for Shri Ashraf Ali and for that he has remained and Government will see that he remains as D. P. I.

Shri Noorul Huda : May I know from the hon'ble Minister whether any difficulty has arisen regarding confirmation of Prof. Ashraf Ali ? If any difficulties have arisen, what are those difficulties and will the Government take action so that such difficulties are removed without further delay ?

Shri Hiteswar Saikia, ( Minister ): Original procedure was, the seniormost officer of the Education Department was appointed as D. P. I. Then Sir, a decision was taken in the Cabinet that this post should be advertised and such an advertisement was made earlier according to which Shri B. D. Sarma was appointed as D. P. I. The Janata Government removed Shri B. D. Sarma and Professor Ashraf Ali was appointed as D. P. I. Then there was this advertisement which made him age barred for applying for the post. Again a Cabinet decision has to be taken to remove this hurdle and I can assure the House this will be done.

শ্ৰীঅতুল গোস্বামী : জনতা চৰকাৰৰ দিনত শ্ৰীআশ্ৰফ আলিক ডি, পি, আই হিচাবে এপইণ্টমেণ্ট দিবলৈ মতা চিঠিখনত কি বুলি দিয়া আছিল? টেম্পৰেৰী হিচাবে দিয়া হৈছিল নেকি? তাৰ পিচত এ, পি, এচ, চিত এপিয়াৰ কৰিব লাগিব বুলি দিয়া হৈছিল নেকি? Can the Minister show us the appointment letter ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ): প্ৰফেচাৰ আশ্ৰফ আলি এ, পি, এচ, চিৰ ৰেগুলেচন ৩ ( এফ ) ধাৰা মতে নিযুক্তি দিয়া হৈছিল, যিটো কাৰণত তেখেতৰ চাৰ্ভিচ ৰেগুলাৰাইজেচন দিব পৰা নাই।

Shri Nagen Sarma : In course of Minister's reply he used the word 'sympathetic', and said that the case of D.P.I. will be sympatheti-

cally considered. Whether in this case the concept of rule applies or likings and dislikings apply ?

Shri Hiteswar Saikia ( Minister ): This is not the question of liking and disliking. The then Education Minister Shri Lakshyadhar Chaudhury appointed him because he had the administrative capability.

শ্ৰীযোগেন গগৈ : প্ৰফেচৰ আশ্ৰফ আলিৰ চাকৰি ৰেগুলাৰাইজেচন নোহোৱা অৱস্থাত ভৱিষ্যতত যেতিয়া তেখেত চাকৰিৰ পৰা যাব লগা হব তেতিয়া পেঞ্চন বা অন্যান্য বেনিফিট পোৱাৰ ক্ষেত্ৰত ৰক্ষণা-বেক্ষণ দিয়া হব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী ): এইবিলাক দিয়া হব ।

Shri Md. Umaruddin : May I know whether there are any rules of department? As far as I know the post of D. P. I. is an ex-cadre post and is filled up by selection from among the senior officers. Normally before selection the post is advertised, but in this pending selection he was appointed and the post was advertised after he was appointed. Now the Minister says that he was age barred. What are the conditions to be fulfilled for the post of D. P. I. which is an ex-cadre post ?

Shri Hiteswar Saikia ( Minister ): He is required to fulfil the conditions as required by other Government officers.

Shri Promode Chandra Gogoi : As the hon'ble Minister has stated there is one post of D. P. I. in the Education Department. Originally there was one advertisement and Shri B. D. Sarma was selected by the P. S. C. and he was appointed as D. P. I. Janata Government removed him and Shri Ashraf Ali was appointed as D. P. I. in his place. Again there was another advertisement and again one person was selected by the P. S .C. How can it happen that against one post 3 persons are appointed by Govt. ?

Shri Hiteswar Saikia ( Minister ) : Sir, it was done earlier. The previous Govt. took a decision to appoint Shri B. D. Sarma as D. P. I. on the basis of A. P. S. C, advertisement. Then Sir, so far as I remember there were some discussion about the Education Department in this House and there were lot of criticism against the D. P. I.'s office. The then Education Minister, Shri Lakhyadhar Choudhury while intervening in the discussion said that he wants to bring some changes in the Education Department and because of which he had brought Shri Ashraf Ali as D. P. I. Now I cannot say at the moment as to how the advertisement was made giving age bar for which Shri Ali could not apply for the post of D. P: I. And nodoubt according to the advertisement some other person was selected for the post of D. P. I. and at this moment he is serving as Addl. D. P. I.

## বি ঃ গঙ্গাধৰ নৈৰ গড়াখহনীয়া

শ্ৰীআলাউদ্দিন চৰকাৰে সুধিছে ঃ

*৬৬। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোলকগঞ্জ সমষ্টিৰ গঙ্গাধৰ নৈৰ পশ্চিম পাৰৰ বিশেষকৈ বতিয়া দহ বেলগুৰি. মইচা, কমচা বচৰ নগৰ আদি গাওঁবোৰক গড়া খহনীয়াৰ পৰা ৰক্ষা কৰাৰ কাৰণে কোনো আচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৬৬ (ক) অৰ্থ সামাজিক ভিত্তিৰ ওপৰত নিৰ্ভৰ কৰি এনে ধৰণৰ আচনিৰ যুক্তি যুক্ততা নাই বুলি পৰামৰ্শ কমিতিয়ে ( বৰ্ড অৱ কনচালটেনত ) দিহা দিছে।

(খ) উক্ত নৈৰ গড়াখহনীয়াৰ পৰা কাহুৰী ডিমাকৰী আলিৰ লক্ষীমাৰী অংশটো ৰক্ষা কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছিল ?

(গ) উক্ত ব্যৱস্থাৱলীৰ কাৰণে কিমান ধন খৰচ কৰা হৈছে আৰু উক্ত ব্যৱস্থাৱলী গড়া খহনীয়া ৰোধ কৰাত কাৰ্য্যকৰী হৈছেনে ?

(খ) অস্থায়ী গড় প্ৰতিৰোধমূলক ব্যৱস্থা হিচাবে বোল্ডাৰচ চেজ, পাৰকো-পাইন পেলোৱা ইত্যাদি বিভিন্ন ধৰণৰ কাম কৰিছিল।

(গ) উক্ত ব্যৱস্থাৱলীৰ কাৰণে মুঠ খৰচ হৈছিল ৩ লাখ ২০ হাজাৰ টকা আৰু উক্ত ব্যৱস্থাৱলীৰ কাৰণে গড়া খহনীয়া ৰোধ হৈছে।

শ্ৰীআলাউদ্দিন চৰকাৰ : মন্ত্ৰী মহোদয়ে কৈছে যে আৰ্থ সামাজিক প্ৰয়োজনীয়তাক কেন্দ্ৰ কৰি এই আচনি বাতিল কৰাৰ পৰামৰ্শ দিয়া হৈছে। দুজন প্ৰাক্তন মন্ত্ৰীৰ উপস্থিতিত এই কথাখিনি কওঁতে যে চৰকাৰে এই বিষয়ে বিবেচনা নকৰাকৈয়ে অৰ্থ সামাজিকৰ কথাকৈ এই আচনি বাতিল কৰাৰ পৰামৰ্শ দিছে। চৰকাৰে নাজানে নেকি যে ৫ কোটি টকা খৰছ কৰি গঙ্গাধৰ দলং নিৰ্মাণৰ পিচত ৩১ নং ৰাষ্ট্ৰীয় পথৰ এই অংশটো ভঙানৰ মুখত ৰৈ আছে? গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছোঁ যে পূৰ্বতে গ্ৰহণ কৰা আচনিখন কাৰ্য্যকৰী কৰাৰ কিবা ব্যৱস্থা কৰিব নে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বান নিয়ন্ত্ৰণ মন্ত্ৰী): চাৰ, কষ্ট বেনিফিট ৰেচিওৰ ষ্টেণ্ডাৰ্.ড চাইহে এইবিলাক কৰা হয়। ইয়াৰ ষ্টেণ্ডাৰ্ড মতে যি পৰিমাণৰ এৰিয়া হব লাগে তাতকৈ ইয়াৰ পৰিমাণ কম। এই ঠাইখিনি প্ৰটেক্সন দিবলৈ হলে প্ৰায় ৩৫ লাখ মান টকাৰ দৰ্কাৰ হয়। কিন্তু কষ্ট বেনিফিট ৰেচিও মতে এই কাৰ্য্যকৰী কৰিব পৰা নহয়। গতিকেই মই এই কথা কৈছোঁ।

শ্ৰীআলাউদ্দিন চৰকাৰ : মই জনামতে MOTৰ উচ্চ পৰ্য্যায়ৰ এজন বিষয়া তালৈ গৈছিল আৰু ২ কোটি টকা ব্যয়ৰ এটা দাইভাৰচন্ কৰাৰ প্ৰস্তাব হাতত লৈছিল। সেইটো কৰা হলে এই গুৰুত্বপূৰ্ণ ৰাস্তাটো বাংলাদেশৰ সীমান্তলৈ যাব। সেয়ে আমাৰ শ্ৰীকুলী ডাঙৰীয়া মন্ত্ৰী হৈ থাকোতে

ইয়াৰ ৰাইজক গড়াখহনীয়াৰ পাৰত থিয় হৈ থাকোতে যি আশ্বাস দিছিল সেই অনুযায়ী পৰামৰ্শদাতা কমিটীয়ে এইটো একেবাৰে বাতিল কৰাৰ পৰামৰ্শ স্থগিত ৰাখি পুনৰ বিবেচনা কৰি চাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে তাত প্ৰটেক্সন লোৱাৰ ব্যৱস্থা কৰা হৈছে। আৰু কাহুৰী-ডিমাকৰী যিটো ৰাস্তা বাংলাদেশ সীমা পাইছে তাত মাত্ৰ ৫০ মিটাৰমান ৰাস্তাহে ১৯৭৩ আৰু ১৯৮০ চনৰ বানত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। এইটো এটা সৰু অংশ। গতিকে এইটো ৰোধ কৰা হৈছে। কিন্তু মাননীয় সদস্যই এইটো স্থায়ীভাৱে প্ৰতিৰোধ কৰি গাওঁ কেইখনক গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ যি যুক্তি প্ৰদৰ্শন কৰিছে তাৰ যুক্তিযুক্ততা আছে। সেই সম্পৰ্কে বৰ্ড অৱ কনচাল্টেচনৰ মিটিঙত দাঙি ধৰা হৈছিল। কিন্তু বৰ্ড অৱ কনচাল্টেচনত ইয়াৰ কষ্ট বেনিফিট ৰেচিও ফিজিবুল বুলি নাভাবে।

শ্ৰীআলাউদ্দিন চৰকাৰ : অধ্যক্ষ মহোদয়, কানুৰী-ডিমাকৰী ৰাস্তাটো বাংলাদেশৰ সীমালৈকে গৈছে। ১৯৬৫ আৰু ১৯৭১ চনত এই ৰাস্তাটো ভাৰতীয় সৈন্য বাহিনীয়ে ব্যৱহাৰ কৰিছিল। ইয়াৰ গড়াখহনীয়া প্ৰতিৰোধ আৰু বেয়া হোৱা অংশটো মেৰামতি কৰাৰ কাৰণে ৩ লাখ ২০ হাজাৰ টকা চৰকাৰে দিছিল। চৰকাৰে এই কথা জানেনে যে ৰাস্তাৰ গুৰুত্ব পূৰ্ণ অংশটো এতিয়া বিচ্ছিন্ন হৈ আছে আৰু তাত গড়াখহনীয়া চলি আছে। আৰু এই ৩ লাখ ২০ হাজাৰ টকা খৰছ নামতহে প্ৰায়খিনিকে আত্মসাৎ কৰা হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আত্মসাত কৰা কথাটো মই মানি লব নোৱাৰোঁ। গড়াখহনীয়া ৰোধ কৰাৰ ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে পাৰমেনেণ্ট প্ৰটেক্সনৰ কথা যিটো কৈছে সেইটোৰ সম্পৰ্কত মই ফিজিবল নহয় বুলি ভাবোঁ।

শ্ৰী দানেশ আলি : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো সীমাৰ ৰাস্তাৰ কথা কৈছে সেইটো যোৱা বছৰ গাইখোৱাৰ ওচৰত চিঙি গ'ল। এই

পি, ডব্লিউ, ডিৰ ৰাস্তাটোৰ ১০-১৫ হাতমান পিছতে এটা নদী আছে। এই নদীখনৰ পৰা যদি ৰাস্তাটো ৰক্ষা কৰিব পৰা নহয় তেনেহলে ডিফেঞ্চৰ ফালৰ পৰা আমাৰ ভয়ংকৰ অসুবিধা হব। আৰু এক ডেৰ ফালংমান দূৰত থকা বাংলাদেশী সকল অহাৰ কাৰণে এটা নতুন ব্যৱস্থাৰ সৃষ্টি হব। এই বিষয়ে চৰকাৰে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ মাননীয় সদস্য গৰাকীৰ লগত মই এই ক্ষেত্ৰত একমত। কিন্তু টকা পইচাৰ ফালৰ পৰাহে কষ্ট বেনিফিট ৰেচিও নিমিলে বুলি কৈছে।

শ্ৰীজেহিৰুল ইচলাম ঃ অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন কৰিব খুজিছোঁ। অসমত আজিলৈকে বানবিভাগৰ যিবিলাক আচনি লৈছে সেই গোটেইবিলাক কষ্ট বেনিফিট ৰেচিও চাইহে দিয়া হব নেকি ? দ্বিতীয় কথা হল কিছুমান বিশেষ ঠাইত বিশেষ ধৰণৰ সুবিধা দিয়া হয় আৰু কিছুমান ক্ষেত্ৰত দিয়া নহয় এই কথা সঁচা নেকি ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ এইটো মাননীয় সদস্য গৰাকীৰ নিজা কথা। যদি অৱস্থা গুৰুত্বপূৰ্ণ হয় তেতিয়াহলে নিশ্চয় চৰকাৰে বিবেচনা কৰিব।

শ্ৰীমহম্মদ উমৰুদ্দিন ঃ অধ্যক্ষ মহোদয়, মই সুধিব খুজিছোঁ যে ধুবুৰী, গোলকগঞ্জ, ডিমাকৰী ৰাস্তাটো সীমামূৰীয়া পি, ডব্লিউ, ডিৰ ৰাস্তা। এই বাস্তাৰে আমাৰ বি, এচ, এফ আহ যাহ কৰে। আৰু বিদেশী নাগৰিক অহাৰো ব্যৱস্থা আছে। গঙ্গাধৰ নদীৰ গড়াখহনীয়াৰ পৰা এই ৰাস্তাটো ৰক্ষা কৰিব লাগে। যিহেতু এইটো বৰ্ডাৰ ৰাস্তা ই পি, ডব্লিউ, ডিৰ দায়িত্বত পৰিব নে ই, এণ্ড, ডিৰ দায়িত্বত পৰিব।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ এইটো এটা কালেক্টিভ দায়িত্ব বুলি কব লাগিব। বান নিয়ন্ত্ৰণ বিভাগৰ পৰা এইটো পৰীক্ষা কৰিবলৈ প্ৰস্তুতি কৰি আছোঁ।

( At this stage many hon'ble members rose to ask supplementeries.

Mr. Speaker : Order, Order. The Question hour is over.

## UNDISPOSED STARRED QUESTIONS
## DATED 27-3-81

### বি: মৰিগাওঁত অগ্নিনির্বাপক কেন্দ্র

শ্ৰীকালীৰাম ডেকা ৰজাই সুধিছে ঃ

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ( গৃহ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

*৬৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিগাৱৰ এটা অগ্নিনির্বাপক কেন্দ্ৰ স্থাপনৰ সম্পৰ্কে চৰকাৰে কিবা ব্যৱস্থা লৈছেনেকি ?

(খ) যদি লৈছে, এই কেন্দ্ৰটো কেতিয়া স্থাপন কৰা হব ?

৬৭ (ক) মৰিগাৱত এটা অগ্নিনির্বাপক কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ চৰকাৰৰ হাতত আছে।

(খ) সঠিক সময় নিৰ্দ্ধাৰণ কৰা এতিয়া টান, যিহেতু চৰকাৰে বিত্তীয় পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি ক্ৰম অনুসাৰে অগ্নিনির্বাপক কেন্দ্ৰ বিভিন্ন ঠাইত স্থাপন কৰাৰ ব্যৱস্থা কৰিছে। মৰিগাৱত অগ্নি নির্বাপক কেন্দ্ৰ স্থাপনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

### বি: সাংস্কৃতিক অনুদান

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে :

শ্ৰীগোলোক ৰাজবংশী ( সাংস্কৃতিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

*৬৮। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ নিবাসী শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ দাস নামৰ এজন শিল্পীয়ে সাংস্কৃতিক অনুদান বা বিত্তীয় সাহায্যৰ বাবে আবেদন কৰা টো চৰকাৰে জানেনে ?

(খ) যদি জানে চৰকাৰে কিবা সাহায্য আগবঢ়াইছেনে ?

৬৮(ক) এই বিভাগত উক্তশিল্পীৰ পৰা সাংস্কৃতিক 'অনুদানৰ বাবে কোনো আবেদন পোৱা নাই । কিন্তু তেওঁৰ পৰা আৰ্থিক সাহাৰ্য্য, পেনচন বিচাৰি দিয়া দৰ্খাস্ত এখন চৰকাৰে পাইছিল ।

(খ) কোনো সাহায্য আগবঢ়াব পৰা হোৱা নাই ।

## RE : L. P. AND M V SCHOOLS.

Shri Nitish Ranjan Das asked.

*69. Will the Minister, Education be pleased to state :—

How many LP and MV Schools have been taken over by the last Janata Government, Assam Janata Govt. and the present Govt.
(please show figure Sub-Division wise. )

Shri Hiteswar Saikia,
(Minister, Education) replied.

69.

| | L.P. Schools taken over | M V Schools taken over |
|---|---|---|
| Janata | Nil | Nil |
| Assam Janata | Nil | Nil |
| Present Govt. | Nil | 35 |

Sub-Division break up

| | | |
|---|---|---|
| 1. | Karimganj | 6 |
| 2. | Hailakandi | 10 |
| 3. | Silchar | 2 |
| 4. | Dibrugarh | 9 |
| 5. | Sibsagar | 5 |
| 6. | Nowgong | 1 |
| 7. | Tinsukia | 1 |
| 8. | Dhemaji | 1 |
| | | 35 |

## বিঃ বিকলাঙ্গ লোকৰ সংখ্যা

শ্ৰীযোগেন গগৈয়ে সুধিছে :

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ( সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে।

*৭০। মাননীয় সমাজকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত কিমান বিকলাঙ্গ লোক আছে ?

(খ) এই বিকালাঙ্গ লোক সকলৰ জীৱিকা নিৰ্ব্বাহৰ বাবে চৰকাৰী পৰ্য্যায়ত কোনো প্ৰকাৰৰ সা-সুবিধা দিয়া হৈছে নেকি ?

(গ) এনে বিকলাঙ্গ লোকৰ বাবে কুটীৰ শিল্প প্ৰভৃতিৰ নানান ক্ষুদ্ৰ উদ্যোগ চৰকাৰী পৰ্য্যায়ত কৰিব পৰা যাব নে ?

(ঘ) যদি ইতিমধ্যে এনে আঁচনি কাৰ্য্যকৰী কৰা হৈছে তেন্তে ক'ত ক'ত কৰা হৈছে জনাবনে ?

৭০ (ক) অসমৰ বিকলাঙ্গ লোক সকলৰ কোনো পৰিসংখ্যা বৰ্ত্তমানলৈকে চৰকাৰৰ হাতত নাই

(খ) বিকলাঙ্গ লোকৰ সংস্থাপনৰ সাহাৰ্য্যৰ বাবে এখন আঁচনি কাৰ্য্যকৰী কৰা হৈছে।

(গ) আৰু (ঘ) : বিভিন্ন ধৰণৰ বিকলাঙ্গ সকলৰ সঠিক পৰিসংখ্যা আৰু ব্যাপকতা জনাৰ পিচতহে এনে ধৰণৰ বিশেষ আঁচনিৰ সম্ভাৱনা বুজা যাব।

## RE : PRINCIPAL SILCHAR REGIONAL ENGINEERING COLLEGE

Shri Fokhrul Islam Asked :

Shri Hiteswar Saikia, ( Minister, Education ) Replied :

*71. Will the Minister, Education be pleased to state :—

(a) Whether it is a fact that there is no regular Principal in Silchar Regional Engg. College for more than a year ?

71. (a) Yes.

(b) If so, since when the College has been running without a regular Principal?

(b) 30th June (A. N), 1979.

(c) What is the procedure for selection and apointment of a Principal there?

(c) As per the revised procedure evolved in 1976 the Principal should be appointed by the Board of Governors with the approval of the Central and the State Govt. concerned.

(d) Whether any interview was held for this purpose and if so, whether any selection has been made by the Selection Board?

(d) Yes.

(e) If so, when such selection has been made and who got lst nomination?

(e) The selection was made on 12. 6. 80 and the selection Committee recomnded the following persons:

1. Dr. N. K. Choudhury.
2. Dr. S. P. Roy Choudhury.

(f) What are the reasons for which the person who secured Ist nomination has not yet been appointed?

(f) None is appointed as Principal so far, the matter is now pending with Govt. of India.

## বিঃ দয়াং বনাঞ্চলত পশু চিকিৎসাৰ উপকেন্দ্র স্থাপন

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

শ্ৰীআবুল ফজল গোলাম ওচমানী (পশুপালন মন্ত্ৰী) য়ে উত্তৰ দিছে।

৭২। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোলাঘাট মহকুমাৰ দৈয়াং বনাঞ্চলৰ চাউদাং পথাৰত পশু পালন আৰু পশু চিকিৎসা বিভাগৰ দ্বাৰা উপকেন্দ্ৰ বা সাহায্যমূলক কেন্দ্ৰ এটা প্ৰতিষ্ঠা কৰিবলৈ লোৱা হৈছে নেকি ?

(খ) যদি হোৱা নাই, তেন্তে এই হাবিতলীয়া দুৰ্গম ঠাইত, য'ত জনজাতি অনুসূচীত জাতি ও অন্যান্য পিচপৰা জাতিৰ লোকেৰে ভৰপুৰ, প্ৰস্তাবিত পশু পালন ও পশু চিকিৎসা বিভাগৰ কেন্দ্ৰটো প্ৰতিষ্ঠা কৰাত কি অসুবিধা আছে জনাবনে ?

২৭' (ক) এই কথা চৰকাৰে বিবেচনা কৰি আছে।

(খ) কোনো অসুবিধা নাই, কিন্তু কাম হাতত লোৱাৰ আগেয়ে এটা সমীক্ষা কৰা হয়।

## RE : GOALPARA TOWN PERMANENT PROTECTION WORK

Shri Birendra Nath Choudhury Asked :

*73. Will the Minister, Flood Control be pleased to State ?

(a) Whether it is a fact that a part of Goalpara Town permanent protection work has remained incomplete till to-day ?

(b) If so, when it will be completed ?

Shri Ranendra Narayan Basumatari, ( Minister, Flood Control etc. ) replied :

73. (a) Goalpara town Parmenent protection work had been completed long back.

(b) Does not arise

## বিঃ উত্তৰ লক্ষীমপুৰৰ পোষ্টমৰ্টেম ঘৰৰ স্থানান্তৰ

শ্ৰীশূল বৰাই সুধিছে ঃ

৭৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ নগৰত অৱস্থিত পোষ্ট মৰ্টেন ঘৰটো তাৰ আশে-পাশে থকা শিক্ষানুষ্ঠান, ধৰ্ম্মানুষ্ঠান, খেলা-ধুলা আদি আৰু আন আন অনুষ্ঠানৰ অসুবিধাৰ প্ৰতি বিবেচনা কৰি আন ঠাইলৈ স্থানান্তৰৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

৭৪। (ক) পোষ্ট মাৰ্টন ঘৰটোৰ থানান্তৰ কৰাৰ ব্যৱস্থা লোৱা হব।

## বিঃ আমচৈলৈ পৰিবহন নিগমৰ বাছ চলাচল

শ্ৰীবালিৰাম দাসে সুধিছে :

৭৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাওঁ জিলাৰ আমচৈলৈ চৰকাৰী পৰিবহন বিভাগৰ বাছ দিনে কেইবাৰকৈ চলে ?

(খ) এই বাছ নিয়মিত ভাবে চলেনে ?

(গ) এই বাছে ৰাইজৰ প্ৰয়োজনীয় চাহিদা পুৰণ কৰিব পৰা নাই বুলি চৰকাৰে জানেনে ?

(ঘ) যদি পৰা নাই, তেন্তে চাহিদা পুৰাব পৰাকৈ এই বাছৰ সংখ্যা আৰু বঢ়াবনে ?

শ্ৰীধনীৰাম ৰংপী ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

৭৫। (ক) নগাওঁ জিলাৰ আমচৈলৈ পৰিবহন নিগমৰ বাছ দিনে এবাৰকৈ অহা যোৱা কৰে।

(খ) হয়, অৱশ্যে তেলৰ নাটনিৰ কাৰণে কিছুদিন অনিয়মিত ভাবে চলিছিল।

(গ) উক্ত যাত্ৰীবাহি বাছত যাত্ৰীৰ চাহিদালৈ লক্ষ্য ৰাখি নিগমে যাত্ৰীৰ চাহিদা পূৰণ কৰিব পাৰিছে বুলি ভাবে।

(ঘ) বৰ্ত্তমান নিগমে এই বিষয়ে চিন্তা কৰা নাই।

## বিঃ জাতীয় প্ৰাপ্ত বয়স্ক শিক্ষা আচনি।

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে ঃ

৭৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জাতীয় প্ৰাপ্ত বয়স্ক শিক্ষা আচনী ( N.E.E.P. ) শিতানত অসমত নতুনকৈ ১৬টা প্ৰজেক্ট লোৱাৰ proposal চৰকাৰৰ ওচৰত আছে নেকি ?

(খ) যদি আছে, এই প্ৰজেক্টবোৰৰ খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰিবনে ?

(গ) জাতীয় প্ৰাপ্ত বয়স্ক শিক্ষা আচনিত Supervisior পদৰ ব্যৱস্থা আছে নে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে।

৭৬। (ক) আছে।

(খ) নকৰে।

(গ) আছে।

## বিঃ থাওবা সমষ্টিত পানী যোগান আচনি

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

৭৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শিৱসাগৰ মহকুমাৰ থাওবা বিধান সভা সমষ্টিৰ ভিতৰত কিমান কিমান একৰ মাটিত খেতি কৰিব পৰা কিমান জলসিঞ্চন আচনি গ্ৰহণ কৰা হৈছে ?

(খ) এনে আচনিৰ ভিতৰত বৰ্ত্তমান

শ্ৰীঅফজলুৰ ৰহমান ( জলসিঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে।

৭৭। (ক) মুঠ ৪২৮০ একৰ মাটিত খেতি কৰিব পৰা ৫টা জলসিঞ্চন আচনি গ্ৰহণ কৰা হৈছে।

(খ) এই আচনি কেইটাৰ ভিতৰত

কাৰ্য্যৰত কিমান আৰু প্ৰস্তা-ৱিত কিমান ?

৩টা আচনিয়ে পানী দি আছে আৰু ছুটা আচনিৰ কাম চলি আছে ।

আন ৫টা আচনিৰ প্ৰস্তাৱ শিৱসাগৰ জলসিঞ্চন সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাৰ পৰা পোৱা হৈছে।

(গ) এনে প্ৰস্তাৱিত আচনিবোৰ কিমান দিনত কাৰ্য্যকৰী হৈ উঠিব জনাবনে ?

(গ) এই প্ৰস্তাৱিত আচনি ৫টা বিত্তীয় চন ১৯৮১-৮২ ত লোৱাৰ বাবে বিবেচনাধীন হৈ আছে।

## RE: FAMILY PENSION TO FAMILY OF LATE BADRUL HAQUE

Shri Md. Fakhrul Islam asked:

*78. Will the Minister, Town and Country Planning be pleased to state:

(a) Is it a fact that a draftsman named Badrul Haque died on 15. 8. 79 while working in the Office of the Executive Engineer, T & C. P., Silchar ?

(b) If so, whether his family is entitled to get family pension and other benefits given in similar cases ?

Shri Golok Rajbongshi (Minister, Town and Country Planning) replied:

78. (a) It is fact that Sri Badrul Haque who was working as Draftsman Grade—I in Town & Country Planning Organisation Unit, Silchar, died on 16-8-79.

(b) Yes. The family of deceased officer is entitied to the family pension/gratuity admissile under Family Pension Scheme, 1964.

(c) Whether any petition was received by the Executive Engineer, Town & Country Planning Silchar from any member of his family and if so, on which date the application was received by the said Office ?

(c) No.

(d) Whether the said petitioner has received any benefit till date and if not, the reason thereof ?

(d) No. Pension/Gratuity papers are now under scrutiny.

(e) Whether the Govt. proposes to finalise the case within a specified period ?

(e) No fixed date can be specified as it is sanctioned by the Accountant General, Assam on receipt of pension papers.

## বিঃ ৰামপুৰত পশু চিকিৎসালয়

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

৭৯। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীআবুল ফজল গোলাম ওচমানী ( পশু পালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰ গাওঁ অঞ্চলৰ ৰাইজে ৰামপুৰত এখন পশু চিকিৎসালয় স্থাপনৰ বাবে আবেদন কৰিছেনে ?

৭৯। (ক) হয়, কৰিছে।

(খ) ঘন বসতি, যাতায়তৰ সুবিধা আৰু প্ৰয়োজনীয়তকৈ লক্ষ্য ৰাখি ৰামপুৰত এখন পশু চিকিৎসালয় স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) ব্যৱস্থা গ্ৰহণ কৰাৰ কথা চৰকাৰে বিবেচনা কৰি আছে।

## বিঃ উত্তৰলক্ষীমপুৰ সদৰ আৰক্ষী থানাৰ ঘৰ নিৰ্ম্মাণ

শ্ৰীশূল বৰাই সুধিছে ঃ

৮০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

উত্তৰ লক্ষীমপুৰ মহকুমাৰ উত্তৰ-লক্ষীমপুৰ সদৰ আৰক্ষী থানাৰ কাৰণে এটা নতুন ঘৰ নিৰ্ম্মাণৰ কাৰণে সোনকালে আৱশ্যকীয় ব্যৱস্থা কৰিবনে ?

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ( গৃহমন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৮০। বিষয়টো বিবেচনাধীন হৈ আছে।

## বিঃ পানীদিহিং মৌজাত ব্ৰহ্মপুত্ৰৰ বানপানী

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

৮১। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গত ১৯৫০ চনৰ প্ৰলয়ঙ্কাৰী ভূমিকম্পৰ পাচৰে পৰা শিৱসাগৰ মহকুমাৰ অন্তৰ্গত পানীদিহিং মৌজাৰ সীমাইদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নদৰ বানপানীৰ একেৰাহে এই বছৰ পৰ্য্যন্ত বহুলাংশ অঞ্চল বিধ্বস্ত কৰাৰ বিষয়ে চৰকাৰে জানেনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ।

৮১। (ক) হয়, চৰকাৰে জানে ।

(খ) যদি জানে উক্ত ব্ৰহ্মপুত্ৰ নদৰ দিচাং মুখলৈকে বাকী থকা অংশৰ মথাউৰি নিৰ্ম্মাণৰ বাবে চৰকাৰে অনুসন্ধান চলাইছে নেকি ?

(গ) যদি অনুসন্ধান চলাইছে, তেন্তে এই অংশ মথাউৰি নিৰ্ম্মাণৰ ক্ষেত্ৰত চৰকাৰৰ কাৰ্য্যকৰী ব্যৱস্থা কোন পৰ্য্যায়ত আছে আৰু এই অংশৰ দৈৰ্ঘ্যতা কিমান ?

(ঘ) এই বাকী থকা অংশটো পৰিপূৰণ হলে শিৱসাগৰ মহকুমাত ব্ৰহ্মপুত্ৰ নদৰ বানপানী সম্পূৰ্ণ ভাবে নিয়ন্ত্ৰণ কৰা কাম হৈ উঠিব নেকি ?

(ঙ) এই মথাউৰি গঠনৰ বিষয়ে চৰকাৰৰ ৬ষ্ঠ পঞ্চম বাৰ্ষিকি পৰিকল্পনাত অন্তৰ্ভুক্ত হৈছে নেকি আৰু যদি হৈছে তেন্তে কিমান টকা ব্যয়ৰ আচনি হাতত লোৱা হৈছে ?

(চ) এই বছৰ খৰালী কালৰ ভিতৰতে নিৰ্ম্মাণ কাৰ্য্য সম্পন্ন হৈ উঠিবনে ?

(খ) হয়, উক্ত ব্ৰহ্মপুত্ৰ নদৰ টেঙাপানীৰ পৰা দিচাংমুখলৈ বাকী থকা অংশৰ মথাউৰি নিৰ্ম্মাণৰ বাবে চৰকাৰে অনুসন্ধান চলাইছে।

(গ) এই অংশ মথাউৰিৰ দৈৰ্ঘ্যতা মুঠ ১৪ ৭কিঃ মিঃ, তাৰে ভিতৰত ৬·৭ কিঃ মিটাৰৰ কাম প্ৰথম পৰ্য্যায়ত সম্পূৰ্ণ কৰা হ'ল। দ্বিতীয় পৰ্য্যায়ত ৪ কিঃ মিঃ মথাউৰিৰ কাম কাৰিকৰী বৰ্ডত উপস্থাপনৰ কাৰণে দিহা কৰা হৈছে।

(ঘ) সম্পূৰ্ণ নিয়ন্ত্ৰণ নহয়। যিহেতু উপনদীয়েদি সোমোৱা ব্ৰহ্মপুত্ৰৰ পানীয়ে আৰু বৰযুণৰ পানীয়ে বহু ঠাই জলমগ্ন অৱস্থাত ৰাখিব।

(ঙ) এই মথাউৰি নিৰ্ম্মাণৰ কাৰণে ৬ষ্ঠ পঞ্চম বাৰ্ষিকি পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছে আৰু মুঠ ৫০ লাখ টকা ব্যয়ৰ আচনি হাতত লোৱা হৈছে।

(চ) এই বছৰ খৰালী কালৰ ভিতৰতে নিৰ্ম্মাণ কাৰ্য্য সম্পন্ন কৰাৰ ব্যৱস্থা হাতত লোৱা হোৱা নাই।

## বি, টি কলেজৰ সংখ্যা ।

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে ঃ

৮২। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বি টি কলেজৰ মুঠ সংখ্যা কিমান আৰু কোন জিলাত কেইখন বি, টি কলেজ আছে ?

(খ) আজিলৈ কিমানখন বি, টি, কলেজ চৰকাৰীকৰণ কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে ।

৮২ (ক) অসমত মুঠ বি, টি কলেজৰ সংখ্যা ৯ খন। গোৱালপাৰা আৰু দৰং জিলাত দুখনকৈ আৰু শিৱসাগৰ, কামৰূপ, নগাওঁ. কাছাৰ আৰু লক্ষীমপুৰ জিলাত এখনকৈ বি, টি কলেজ আছে ।

(খ) অসমত বৰ্ত্তমানে গোৱালপাৰা আৰু যোৰহাটত দুখন চৰকাৰী বি, টি, কলেজ আছে আৰু ৪ খন বি, টি, কলেজৰ চৰকাৰীকৰণৰ বিষয়ে ব্যৱস্থা লোৱা হৈ আছে ।

## বিঃ ছেৰিকালছাৰ ফাৰ্ম

শ্ৰীশূল বৰাই সুধিছে ঃ

৮৩। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাত কিমানখন ছেৰিকালছাৰ ফাৰ্ম আছে ? ( বিধান সভা সমষ্টিৰ ভিত্তিত হিচাব দিব )

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ( ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৮৩। (ক) উত্তৰ লক্ষীমপুৰ সমষ্টিৰ ৩ খন
বিহপুৰীয়া সমষ্টিত ৪ খন
নাওঁবৈচাত — ২ খন

খ) এই ফার্মসমূহৰ পৰা জনসাধাৰণ কিভাবে উপকৃত হৈছে ?

(খ) এই ফার্মসমূহৰ পৰা এড়ি, মুগা আৰু পাটৰ উন্নত জাতৰ ৰোগ-মুক্ত পলুৰ সচঁ জনসাধাৰণৰ মাজত বিতৰণ কৰা হয়। পাট-পলু পালকক বিনামূলীয়াকৈ পাতৰ যোগান ধৰা হয় লগতে ইচ্ছুক জনসাধাৰণক উন্নত ধৰণৰ আধুনিক পদ্ধতিৰে পশুপালন, সূকাকটা আৰু পকোৱা আদিৰো দিহা পৰামর্শ আৰু শিক্ষা দিয়া হয়।

(গ) এই ফার্মসমূহৰ যোৱা ১৯৭৮ ৰ পৰা ১৯৮০ চনৰ ভিতৰত এটা লাভ লোকচানৰ খতিয়ান দিবনে ? (বিধান সভা সমষ্টিৰ ভিত্তিত হিচাব দিব)।

(গ) সামাজিক আৰু জনকল্যাণৰ ভিত্তিতহে ৰেচম পামসমূহ স্থাপন কৰা হৈছে। গতিকে এই বিলাকৰ কাম কাজ লাভ লোকচানৰ দিশৰ বিচাৰ কৰা হোৱা নাই।

## UNSTARRED
## QUESTIONS AND ANSWERS
Date : 27th March, 1981.

( To which answers were laid on the Table )

### বিঃ মহকুমা পৰিষদৰ পাৰিষদ।

শ্ৰীছামচুল হুদাই সুধিছে ঃ

শ্ৰীআফজানুৰ ৰহমান (পঞ্চায়ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী]য়ে উত্তৰ দিছে।

৬। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

[ক] ৰাজ্যৰ মহকুমা পৰিষদ সমূহত সৰ্বমুঠ পাৰিষদ কিমান জন ?

৬ [ক] ৭১৪ জন।

[খ] মহকুমা পৰিষদৰ বৈঠকত যোগদান কৰাৰ উপৰিও তেওঁলোকে প্ৰতিদিনেই সৰ্বক্ষণ কৰ্ম্মী হিচাপে ৰাজহুৱা আৰু ৰাইজৰ কামত আত্মনিয়োগ কৰিবলগীয়া হয় বুলি চৰকাৰে জানেনে ?

[খ] ৰাইজে তেওঁলোকৰ ৰাইজৰ কামৰ কাৰণেহে নিৰ্ব্বাচন কৰিছে গতিকে তেওঁলোকে তেনে কামৰ কাৰণে আত্মানিয়োগ কৰাটোৱে স্বাভাবিক ।

[গ] যদি জানে তেন্তে চৰকাৰে তেওঁলোকৰ মাহেকীয়া ভিত্তিত দৰমহা ভাট্টা পাৰিতোষিক বা মাননী দিয়াৰ ব্যৱস্থা কৰিবনে ?

[গ] পৰিষদ সকলে (Councellors) বৈঠক ভাট্টা (Sitting allowance) পায় । বিশেষ কাৰণত ভ্ৰমণ কৰিলে তেওঁলোকে ভ্ৰমণ ভাট্টাও পায় । ১৯৭২ চনৰ অসম পঞ্চায়তী ৰাজ অধিনিয়মত মাহেকীয়া ভিত্তিত দৰমহা দিয়া কোনো বিধি নাই বাবে তেনেকুৱা ব্যৱস্থা কৰিব নোৱাৰি ।

## বিঃ কাৰাগাৰত বন্দী ৰাখিবৰ বাবে স্থান

শ্ৰীজ্ঞান গগৈয়ে সুধিছে :

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া (কাৰাগাৰ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৭ মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

[ক] অসমৰ কোনখন কাৰাগাৰত কিমান বন্দী ৰাখিবৰ বাবে স্থান আছে ?

৭ (ক) অসমৰ সৰ্ব্বমুঠ ১৯ খন কাৰাগাৰত প্ৰকৃততে ৫১০২ জন বন্দী ৰাখিবৰ ব্যৱস্থা আছে । তাৰে

যোৰহাটত, ৫৭০ জন তেজপুৰত ৭৪৫, গুৱাহাটীত ৬৯০, ডিব্ৰু-গড়ত ৬২৮, নগাওঁত (বিশেষ) ৩৬৬, চিলচৰত ৩২১, নগাওঁত (জিলা) ৩০৩, গোৱালপাৰাত ২৫০, ধুবুৰীত ২২১, কৰিমগঞ্জত ১১৪, মঙ্গলদৈত ১১২, শিৱসাগৰত ১০৪, উত্তৰ লক্ষীমপুৰত ১০৯, গোলাঘাটত ৯০, বৰপেটাত ১০৮, কোকোৰাঝাৰত ৭৫, হাইলাকান্দীত ৩৮, যোৰহাট মুকলি কাৰাগাৰত ১০০, আৰু নলবাৰীত ১৫০ জন।

(খ) সেই কাৰাগাৰ সমূহত প্ৰকৃততে ৰখা বন্দীৰ বৰ্ত্তমান সংখ্যা কোন খনত কিমান ?

[খ] ৩১।৮১ ইংৰাজী তাৰিখে বিভিন্ন কাৰাগাৰত বন্দীৰ সংখ্যা তলত দিয়া হ'ল। যোৰহাটত ৪৪১ জন, তেজপুৰত ৩৯৯, গুৱাহাটীত ৬৫৬ ডিব্ৰুগড়ত ৪৫২, নগাওঁত (বিশেষ) ২০৭, চিলচৰত ২০৯, নগাওঁত (জিলা ২৫৬, গোৱালপাৰাত ১৫০, ধুবুৰীত ১২৬, কৰিমগঞ্জত ১৩৪ মঙ্গলদৈত ২৭৫, শিৱসাগৰত ১১৮, উত্তৰ লক্ষীপুৰতম ১৭০, গোলাঘাটত ২২৪, বৰপেটাত ১০৩, কোকৰাঝাৰত ১০৫, হাইলাকান্দিত ৩০, যোৰহাট মুকলি কাৰাগাৰত ৬১ আৰু নলবাৰীত ১৩৬ জন।

## RE : NUMBER OF CONVICTS.

| | |
|---|---|
| Sri M.D. SHAMSUL HUDA ASKED : | SHRI RAMESH CHANDRA SAHARIA (MINISTER JAILS) REPLIED : |
| 8. Will the Minister Incharge of Jails be pleased to state : | |
| (a) The total namber of convicts in the Jails of State till 31.1.81 ? | 8(a) 997 |
| (b) The total number of life convicts among them ? | (b) 633 |
| (c) The total number of convicts released on the 26th January, 1981 ? | (c) 9 |
| (d) The number of life convicts among them ? | (d) Nil |
| (e) The gounds of their premature release ? | (e) Doos not arise in view of the reply at (d) above. |

## বিঃ মাছৰ পোনা।

| | |
|---|---|
| শ্ৰীছামছুল হুদাই সুধিছে : | শ্ৰীলীলাময় দাস ( মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে। |
| ৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? | |
| (ক) ৰাজ্য চৰকাৰে কি কি মাছৰ পোনা জগায় ? | ৯ (ক) ৰাজ্য চৰকাৰে ৰৌ, বাহু, মিৰিকা কমন কাৰ্প, গ্ৰাচ কাৰ্প আৰু |

চিলভাৰ কাৰ্প মাছৰ পোনা জগায়।

(খ) মাছৰ পোনা বেচি যোৱা তিনি বছৰত চৰকাৰে গড়ে বছৰি কিমান টকা ঘটিলে?

(খ) মাছৰ পোনা বেচি যোৱা তিনি বছৰত চৰকাৰে বছৰি গড়ে ২৮৭,৪৩৪·৩৬ টকা ঘটিছে।

(গ) বৰ্ত্তমান বছৰটোত চৰকাৰে কোন বিধ মাছৰ সৰ্বমুঠ কিমান পোনা জগালে?

(গ) ৰৌ,বাহু, মিৰিকা -৮৬৭·২৫ লাখ
কমন কাৰ্প -১০০ লাখ।
চিলভাৰ কাৰ্প -
আৰু গ্ৰাচ কাৰ্প -৫০,০০০ টকা

(ঘ) মাছৰ পোনা বেচি এই বেলি চৰকাৰে কিমান টকা পালে?

(ঘ) এই বছৰ চৰকাৰে মাছৰ পোনা বেছি ২, ৯৪, ৫০০·০০ টকা পাইছে।

## বিঃ মীন মহল।

শ্ৰীছামছুল হুদাই সুধিছে:

শ্ৰীলীলাময় দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে?

১০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

